**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-12-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। কৃষকৰ কল্যাণ চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰৰ বিষয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিকশিত ভাৰত জি ৰাম জী বিধেয়কখনত আজি স্বাক্ষৰ কৰাৰ পাছতেই বিধেয়কখন আইনলৈ পৰিণত হয়।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি ইণ্ডোৰত অনুষ্ঠিত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকী কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

৪। নতুন দিল্লী থকা বাংলাদেশ উচ্চায়ুক্তৰ সন্মুখত প্ৰতিবাদৰ সময়ত কোনো ধৰণৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে।

*আৰু*

৫। পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি পাকিস্তানে ভাৰতক ১৯১ ৰানত পৰাজিত কৰে।

0000000

কেন্দ্ৰীয় চৰকাৰে কৃষকসকলৰ সহায়ক হোৱাকৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু কৃষকসকলৰ কল্যাণ চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰৰ বিষয়। নামৰূপ সাৰ কাৰখানাত আজি নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা প্ৰকাশ কৰিছে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ নতুন যুগৰ সুচনা হোৱাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে অসমৰ উন্নয়নৰ যাত্ৰাৰ এয়া আৰম্ভণিহে। ভাষণ প্ৰসঙ্গত তেওঁ অসমক আহোম ৰাজত্বৰ সোণোৱালী দিনবোৰৰ দৰে শক্তিশালী কৰি তোলা হ'ব বুলি উল্লেখ কৰে। নামৰূপৰ নতুন এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি কৃষক ৰাইজক অভিনন্দন জনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত অন্নদাতাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শ্ৰী মোদীয়ে কয়, যে বৰ্তমান দেশত ৰাসায়নিক সাৰৰ উৎপাদন ৩০৬ লাখ মেট্ৰিক টনলৈ বৃদ্ধি হৈছে। ২০১৪ চনত এই পৰিমাণ আছিল ২২৫ লাখ মেট্ৰিক টন। কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰি সাৰ উৎপাদনত সম্পূৰ্ণ আত্মনিৰ্ভৰ হ'বলৈ নতুন নতুন উৎপাদন ক্ষমতা গঢ়ি তোলাৰ বাবে চৰকাৰে অবিৰত প্ৰচেষ্টা চলাই যাব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া নামৰূপৰ এই প্ৰকল্পত বছৰি ১২ লাখ মেট্ৰিক টনতকৈ অধিক সাৰ উৎপাদন হ'ব।

কৃষকসকলৰ হিত সাধনৰ ক্ষেত্ৰত চৰকাৰ অত্যন্ত সংবেদনশীল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে কৃষকসকসকলৰ ওপৰত যাতে অতিৰিক্ত বোজা নপৰে তাৰ বাবে ইউৰিয়া আমদানিৰ ব্যয় চৰকাৰে বহন কৰে। দেশত বছৰি প্ৰয়োজন হোৱা ৩৮০ লাখ মেট্ৰিকটন ইউৰিয়াৰ বিপৰীতে বৰ্তমান ৩০৬ লাখ মেট্ৰিকটন ইউৰিয়া উৎপাদন হয় বুলিও শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ অৰ্থনীতি উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়।

উল্লেখযোগ্য যে, দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাৰ ভাগত গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰে। পৰীক্ষাৰ সময়ত সৃষ্টি হোৱা মানসিক চাপ নিয়ন্ত্ৰণৰ বাবে শ্ৰীমোদীয়ে তেওঁলোকক পৰামৰ্শ দিয়ে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰে।

000000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিকশিত ভাৰত জি ৰাম জী বিধেয়কখনত আজি স্বাক্ষৰ কৰে। এই স্বাক্ষৰৰ পাছতেই শীতকালীন অধিবেশনত গৃহীত হোৱা বিধেয়কখন আইনত পৰিণত হয়। উল্লেখযোগ্য যে পূৰ্বৰ এম জি এনৰেগা আইনৰ পৰিৱৰ্তে বি ভি জি ৰাম জী বিধেয়কখন গৃহীত হৈছিল। ইয়াৰ জৰিয়তে গ্ৰামাঞ্চলৰ নিবনুৱা লোকসকলক ১২৫টা কৰ্মদিনৰ নিশ্চয়তা প্ৰদান কৰা হৈছিল। শাসকীয় পক্ষই দাবী কৰা অনুসৰি এই আইনে গ্ৰামাঞ্চলৰ আন্তঃগাঁথনি উন্নয়ন আৰু দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব।

000000000

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আয়োজন কৰা **শূণ্যৰ পৰা শতকলৈ ঃ অটল ভাৰতৰ এটা শতাব্দী** শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মধ্য প্ৰদেশৰ ইণ্ডোৰত আয়োজিত কাৰ্যসূচীত উপ-ৰাষ্ট্ৰপতিগৰাকীৰ লগতে মুখ্যমন্ত্ৰী ড০ মোহন যাদৱ আৰু ৰাজ্যপাল মংগুভাই পেটেলো উপস্থিত থাকে। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ডেইলী কলেজত লোকমাতা দেৱী আহল্যাবাঈৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে।

000000000

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড ° জিতেন্দ্ৰ সিঙে কৈছে যে , উদ্যোগ, নিযোগ আৰু জীৱিকাৰ ক্ষেত্ৰত বৈদ্যুতিক গতিশীলতা এক শক্তিশালী ইঞ্জিন হিচাপে বিবেচিত হৈছে।নতুন দিল্লীত অনুষ্ঠিত বৈদ্যুতিক বাহন বিষয়ক এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰি সংবাদ মাধ্যমৰ আগত তেওঁ এই বিষয়ে প্ৰকাশ কৰে। শ্ৰী সিঙে কয় যে, চৰকাৰী পৃষ্ঠপোষকতাৰ পৰিবেশতন্ত্ৰই যুৱ উদ্যোগী সকলক বৈদ্যুতিক বাহনৰ সৈতে জড়িত কামকাজত বিনিয়োগ কৰাৰ লগতে সেইসমূহত মনোনিবেশ কৰিবলৈ আকৰ্ষিত কৰিছে। ড° সিঙে লগতে কয় যে,বৈদ্যুতিক গতিশীলতাই উদ্ভাৱন আধাৰিত বিকাশ, আত্ম - নিৰ্ভৰশীলতা, আৰু স্থায়ী বিকাশৰ ধাৰাক প্ৰতিনিধিত্ব কৰিছে।

0000000

নতুন দিল্লী থকা বাংলাদেশ উচ্চায়ুক্তৰ সন্মুখত একাংশ লোকে কৰা প্ৰতিবাদৰ সময়ত কোনো ধৰণৰ আইন-শৃংখলা অথবা সুৰক্ষাজনিত পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে। সংবাদ মাধ্যমৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰালয়ে কয় যে ২০ৰ পৰা ২৫জন যুৱকে কালি বাংলাদেশ উচ্চায়ুক্তৰ সন্মুখত শ্লোগান দি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল। কিন্তু আৰক্ষীয়ে কেইমিনিট মানৰ ভিতৰতে প্ৰতিবাদী লোকসকলক ছত্ৰভংগ দিবলৈ বাধ্য কৰায়। উল্লেখযোগ্য যে বাংলাদেশত দিপু চন্দ্ৰ দাস নামৰ এজন লোকক একাংশ উত্তেজিত লোকে নৃসংশভাৱে হত্যা কৰাৰ বিৰুদ্ধে নতুন দিল্লীত থকা বাংলাদেশৰ উচ্চায়ুক্তৰ সন্মুখত কালি একাংশ লোকে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল। তেওঁলোকে বাংলাদেশত থকা সকলো সংখ্যালঘু লোকৰ সুৰক্ষাৰ দাবী উত্থাপন কৰিছিল। ভাৰতে বাংলাদেশৰ সমগ্ৰ পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিছে বুলি উল্লেখ কৰি মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে যে ভাৰতীয় বিষয়াসকলে বাংলাদেশ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে আৰু সংখ্যালঘু লোকসকলৰ ওপৰত সংঘটিত আক্ৰমণক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে।

000000000

বিকশিত ভাৰত জি ৰাম জী বিধেয়কখন এম জি এনৰেগাৰ পৰৱৰ্তী পদক্ষেপ বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। তেওঁ কয় যে ইয়াৰ জৰিয়তে সমাজৰ দৰিদ্ৰ লোকসকলে অধিক সুবিধা লাভ কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে এই বিধেয়কখনে ১২৫ কৰ্মদিনৰ সুবিধা প্ৰদান কৰিব। পূৰ্বতে এম জি এনৰেগাৰ জৰিয়তে কেৱল ১০০টা কৰ্মদিনৰ সুবিধা প্ৰদান কৰা হৈছিল। তেওঁ লগতে কয় যে বিধেয়কখনত কোনো কামৰ সুবিধা লাভ নকৰা লোকসকলৰ বাবে বিশেষ ভাট্টাৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি কৃষকসকলৰ বাবেও বিধেয়কখনত বিশেষ ব্যৱস্থা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে বিধেয়কখনৰ বাবে ১ লাখ ৫১ হাজাৰ কোটিতকৈও অধিক টকাৰ প্ৰস্তাৱ দিয়াৰ প্ৰসঙ্গ উল্লেখ কৰি কয় যে বিধেয়কখনত প্ৰশাসনিক ব্যয় পূৰ্বৰ ৬ শতাংশৰ পৰা ৯ শতাংশলৈ বৃদ্ধিৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। ইয়াৰ জৰিয়তে পঞ্চায়ত সচিব, নিয়োগ সহায়ক আৰু কাৰিকৰী লোকসকলক সময়মতে উপযুক্ত পাৰিতোষিক আগবঢ়াব পৰা যাব। বিধেয়কখনক লৈ

অধিক আস্থা প্ৰকাশ কৰি তেওঁ লগতে কয় যে ইয়াৰ জৰিয়তে গ্ৰামাঞ্চলৰ পানী সংৰক্ষণ, আন্তঃগাঁথনি উন্নয়ন আৰু প্ৰাকৃতিক দুৰ্যোগৰ পৰা সুৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পৰা হ'ব। এই ব্যৱস্থাই দেশৰ গাঁওসমূহক অধিক স্বাৱলম্বী আৰু দৰিদ্ৰতামুক্ত কৰি তোলাত সহায় কৰিব। বিধেয়কখনে উন্নত ভাৰত নিৰ্মাণৰ বাবে গ্ৰামাঞ্চল উন্নয়নৰ বাবে চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতিও পূৰণ কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে।

ooooooooo

চৰকাৰৰ ই-মাৰ্কেটপ্লেছ মঞ্চ চমুকৈ জেমত বিগত মাহ পৰ্যন্ত ১১ লাখতকৈও অধিক অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ - এম এছ এম ই বিক্ৰেতাৰ নাম পঞ্জীয়ন কৰা হৈছে। এই বিক্ৰেতাসকলে ৭ লাখ কোটিৰো অধিক টকা মূল্যৰ সামগ্ৰীৰ যোগানৰ সুবিধা লাভ কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি বিক্ৰেতাসকলে লাভ কৰা এই অৰ্ডাৰসমূহ জেমৰ জৰিয়তে লাভ কৰা অৰ্ডাৰৰ মূল্যতকৈ ৪৪ শতাংশ অধিক। উল্লেখযোগ্য যে জেম হৈছে এনেকুৱা এখন ডিজিটেল মঞ্চ যাৰ জৰিয়তে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, মহিলা উদ্যোগী, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসকলৰ ব্যৱসায়ৰ লগতে ষ্টাৰ্ট আপসমূহক চৰকাৰী ক্ৰয়ৰ ক্ষেত্ৰত অংশগ্ৰহণ কৰাৰ বাবে সুবিধা প্ৰদান কৰে।

ooooooooo

ডুবাইৰ আই চি চি একাডেমী গ্ৰাউণ্ডত অনুষ্ঠিত পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি পাকিস্তানে ভাৰতক ১৯১ ৰানত পৰাজিত কৰে। টছত জিকি ভাৰতে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেট হেৰুৱাই ৩৪৭ ৰানৰ বিজয়লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত ভাৰতে ২৬ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইপিনে, ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হৈছে।

oooooo

সমাপ্ত